অধ্যায় ৩ ঃ স্বপ্নবাসবদত্তম্ (দ্বিতীয় আৰু তৃতীয় অংক)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ দ্বিতীয় অংকৰ দৃশ্যৰাজিৰ মূল সংস্কৃত পাঠ

৩.৪ উক্ত সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

৩.৫ তৃতীয় অংকৰ মূল সংস্কৃত পাঠ

৩.৬ উক্ত সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

৩.৭ নাটকখনত দ্বিতীয় অংকৰ গুৰুত্ব

৩.৮ নাটকখনত তৃতীয় অংকৰ গুৰুত্ব

৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.১০ অধিক জানিবলৈ

৩.১১ অগ্রগতিৰ খতিয়ান

৩.১২ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- স্বপ্নবাসবদত্তম্ নাটকৰ দ্বিতীয় আৰু তৃতীয় অংক দুটাৰ সংস্কৃত মূল পাঠৰ পৰিচয় লাভ কৰিব
- উক্ত সংস্কৃত পাঠসমূহৰ অসমীয়া অনুবাদসমূহো জানিব পাৰিব
- দ্বিতীয় আৰু তৃতীয় অংক দুটাই নাটকখনত বহন কৰা গুৰুত্ব সম্পর্কে অৱগত হ'ব পাৰিব।

৩.২ পৰিচয়

ইতিমধ্যে আপুনি ভাসৰ দ্বাৰা ৰচিত স্বপ্নবাসবদত্তম্ নাটকখনৰ প্রথম অংকটিৰ এক সম্যক জ্ঞান লাভ কৰিছে। অংকটিৰ কেইটিমান দৃশ্যৰ সংস্কৃত পাঠৰ লগতে সেইসমূহৰ অসমীয়া অনুবাদ সম্পর্কে জানিব পাৰিছে। শ্লোকসমূহৰ ব্যাখ্যা কেনেদৰে কৰা হয় সেই বিষয়েও জ্ঞান লাভ কৰিছে।

এই অধ্যায়ত নাটকখনৰ দ্বিতীয় আৰু তৃতীয় অধ্যায়ৰ মূল সংস্কৃত পাঠৰ জ্ঞান লাভ কৰিব। তদুপৰি সেইসমূহত অসমীয়া অনুবাদসমূহো জানিব পাৰিব। এই অংক দুটাই নাটকখনত কি গুৰুত্ব বহন কৰিছে সেই সম্পর্কেও অৱগত হ'ব।

৩.৩ দ্বিতীয় অংকৰ দৃশ্যৰাজিৰ মূল সংস্কৃত পাঠ

(ততঃ প্রৱিশতি চেটী)

চেটী— কুঞ্জৰিকে কুঞ্জৰিকে। কুত্র কুত্র ভর্ত্তৃদাৰিকা পদ্মাৱতী? কিং ভণসি এষা ভর্তৃদাৰিকা মাধৱীলতামণ্ডপস্য পার্শ্বতঃ কন্দুকেন ক্রীড়তীতি? যাৱদ্ ভর্তৃদাৰিকামুপসর্পামি। (পৰিক্রম্যাৱলোক্য।) অম্মো ! ইয়ং ভর্তৃদাৰিকা উৎকৃতকর্ণচূলিকেন ব্যায়াম সঞ্জাতস্বেদবিন্দুবিচিত্রিতেন পৰিশ্রান্তৰমণীয়দর্শনেন মুখেন কন্দুকেন ক্রীডন্তীত এৱাগচ্ছতি। যাৱদুপসপ্স্যামি।

(নিষ্ক্রান্তা)

প্রৱেশকঃ।

(ততঃ প্রৱিশতি কন্দুকেন ক্রীডন্তী পদ্মাৱতী সপৰিবাৰা বাসবদত্তয়া সহ)

বাসৱদত্তা— হলা ! এষ তে কন্দুকঃ।

পদ্মাৱতী— আর্যে ! ভৱত্বিদানীমেতাৱৎ।

বাসবদত্তা— হলা ! অতিচিৱং কন্দুকেন ক্রীডিত্বাধিকসঞ্জাতৰাগৌ পৰকীয়াৱিব তে হস্তৌ সংবৃত্তৌ।

চেটী— ক্রীড়তু ক্রীড়তু তাৱদ্ ভর্তৃদাৰিকা। নির্বত্যতাং তাৱদয়ং কন্যাভাবৰমণীয়ঃ কালঃ।

পদ্মাৱতী— আর্যে ! কিমিদানীং মামপহসিতুমিব নিধ্যায়সি?

বাসবদত্তা— নহি নহি। হলা অধিকমদ্য শোভসে। অভিত ইব তেহদ্য বৰমুখং পশ্যামি।

পদ্মাৱতী— অপেহি। মেদানীং মামুপহস।

বাসবদত্তা— এষাস্মি তূষ্ণীকা ভৱিষ্যন্মহাসেনবধূঃ।

পদ্মাৱতী— ক এষ মহাসেনো নাম?

বাসবদত্তা— অসম্ভ্যজ্জয়িনীয়ো ৰাজা প্রদ্যোতো নাম। তস্য বলপৰিমাণনির্বৃত্তং নামধেয়ং মহাসেন ইতি।

চেটী— ভর্তৃদাৰিকা তেন ৰাজ্ঞাসহ সম্বন্ধং নেচ্ছতি।

বাসবদত্তা— অথ কেন খল্বিদানীমভিলষতি?

চেটী— অস্তি বৎসৰাজ উদয়নো নাম। তস্য গুণান্ ভর্তৃদাৰিকাভিলষতি।

বাসবদত্তা— (আত্মগতম্) আর্যপুত্রং ভর্তাৰমভিলষতি। (প্রকাশম্।) কেন কাৰণেন?

চেটী— সানুক্রোশ ইতি।

বাসবদত্তা— (আত্মগতম্।) জানামি জানামি। অয়মপি জন এবমুন্মাদিতঃ।

চেটী— ভর্তৃদাৰিকে ! যদি স ৰাজা বিৰূপো ভৱেৎ।

বাসবদত্তা— নহি নহি। দর্শনীয় এৱ।

পদ্মাৱতী— আর্যে ! কথং ত্বং জানাসি?

ৱাসবদত্তা— (আত্মগতম্) আর্যপুত্র পক্ষপাতেনাতিক্রান্তঃ সমুদাচাৰঃ। কিমিদানীং কৰিষ্যামি? (প্রকাশম্) ভৱতু দৃষ্টম্। হলা ! এৱমুজ্জয়িনীয়ো জনো মন্ত্রয়তে।

পদ্মাৱতী— যুজ্যতে। ন খল্বেষ উজ্জয়িনীদুর্লভঃ। সর্বজনমনোভিৰাম্ খলু সৌভাগ্যং নাম।

(ততঃ প্রৱিশতি ধাত্রী)

ধাত্রী— জয়তু ভর্তৃদাৰিকা। ভর্তৃদাৰিকে ! দত্তাসি।

বাসবদত্তা — আর্যে ! কস্মৈ ?

ধাত্রী — বৎসৰাজায়োদয়নায়।

বাসবদত্তা— অথ কুশলী স ৰাজা ?

ধাত্রী— কুশলী স ইহাগতঃ তস্য ভর্তৃদাৰিকা প্রতীষ্টা চ।

বাসবদত্তা— অত্যাহিতম্।

ধাত্রী — কিমত্রাত্যাহিতম্ ?

বাসবদত্তা— ন খলু কিঞ্চিৎ। তথা নাম সন্তপ্যোদাসীনো ভৱতীতি।

ধাত্রী— আর্যে ! আগমপ্রধানানি সুলভপর্যবস্থানানি মহাপুৰুষ-হৃদয়ানি ভৱন্তি।

বাসবদত্তা— আর্যে ! স্বয়মেৱ তেন বৰিতা।

ধাত্রী— নহি নহি। অন্য প্রয়োজনেনেহাগতস্যাভিজনবিজ্ঞানবয়োৰূপং দৃষ্ট্বা স্বয়মেব মহাৰাজেন দত্তা।

বাসবদত্তা— (আত্মগতম্) এৱম্। অনপৰাদ্ধ ইদানীমত্রার্যপুত্রঃ।

(প্রবিশ্যাপৰা)

চেটী— ত্বৰতাং ত্বৰতাং তাবদার্যা। অদ্যৈৱ কিল শোভনং নক্ষত্রম্।

অদ্যৈৱ **কৌতুকমঙ্গলং** কর্তব্যমিত্যস্মাকং ভট্টিনী ভণতি।

বাসবদত্তা— (আত্মগতম্।) যথা যথা ত্বৰতে তথা তথাৰ্দ্ধীকৰোতি মে হৃদয়ম্।

ধাত্রী এত্বেতু ভর্তৃদাৰিকা।

(নিষ্ক্রান্তাঃ সর্বে)



কৌতুক মঙ্গল — মূল বিবাহৰ আগে আগে কন্যাৰ বাওঁহাতৰ মণিবন্ধত সূতা বন্ধা এক অনুষ্ঠান।

৩.৪ উক্ত সংস্কৃত পাঠসমূহৰ অসমীয়া অনুবাদ

(তাৰ পিছত চেটীৰ প্রৱেশ)

চেটী — কুঞ্জৰিকা, অ' কুঞ্জৰিকা। ৰাজকুমাৰী পদ্মাৱতী ক'ত ?

কি কৈছা — এই ৰাজকুমাৰীয়ে মাধৱীলতা মণ্ডপৰ ওচৰত **কন্দুক** খেলি আছে? ঠিক আছে। ৰাজকুমাৰীৰ ওচৰলৈ যাওঁ। (ঘূৰি চাই, দেখি) অঃ **কর্ণাভৰণ** ওপৰত উঠি থকা, পৰিশ্রমৰ বাবে ওলোৱা ঘামৰ বিন্দুৰ দ্বাৰা চিত্রিত আৰু ভাগৰ লগা বাবে সুন্দৰ দেখা মুখমণ্ডল যুক্ত ৰাজকুমাৰীয়ে কন্দুক খেলি খেলি এইফালেই আহি আছে। ঠিক আছে। (মইও) তেওঁৰ কাষলৈ যাওঁ।

(ওলাই যায়)

প্রবেশক

.....

(ইয়াৰ পিছত কন্দুক খেলি থকা পদ্মাৱতীৰ দাসী আৰু বাসবদত্তাৰ সৈতে প্রৱেশ)



কন্দুক - খেলা বল।
কর্ণাভৰণ - কাণত পিন্ধা অলংকাৰ।

বাসৱদত্তা — সখী ! এয়া তোমাৰ কন্দুক।

পদ্মাৱতী — আর্য্য ! ইমানতে থাকক।

বাসবদত্তা — সখী ! বহু সময় কন্দুক খেলি থকা বাবে অধিক ৰঙা বৰণ ধৰা তোমাৰ হাত দুখন আন কাৰোবাৰ হাত যেন লাগিছে।

চেটী — খেলা। (আৰু) খেলা ৰাজকুমাৰী। ৰমনীয় কুমাৰী জীৱনৰ সময়খিনি এনেদৰেই কটোৱা।

পদ্মাৱতী — আর্যা ! মোক পৰিহাস কৰিবলৈকে যেন এনেদৰে চাই আছা।

বাসবদত্তা — নহয়, নহয় সখী। আজি তোমাক বৰ ধুনীয়া লাগিছে। চাৰিওদিশে আজি যেন তোমাৰ সুন্দৰ মুখখন দেখিবলৈ পাইছো। অথবা তোমাৰ বৰৰ মুখ দেখিবলৈ পাইছো।

পদ্মাৱতী — আঁতৰি যোৱাচোন। এতিয়া মোক উপহাস নকৰিবা।

বাসৱদত্তা — মহাসেনৰ হ'বলগীয়া পুত্রবধু ! এয়া মই মৌন হৈ ৰ'লো।

পদ্মাৱতী — এই মহাসেননো কোন ?

বাসবদত্তা — উজ্জয়িনীৰ ৰজা। তেওঁৰ নাম প্রদ্যোত। তেওঁৰ সেনাৰ বিস্তৃতিৰ বাবে তেওঁক মহাসেন বুলি কোৱা হয়।

চেটী — ৰাজকুমাৰীয়ে সেই ৰজাৰ লগত সম্বন্ধ হোৱাটো বিচৰা নাই।

বাসবদত্তা — তেন্তে এতিয়া কাৰ লগত বিচাৰিছে ?

চেটী — উদয়ন নামৰ বৎসাধিপতি আছে। তেওঁৰ গুণসমূহৰ প্রতি ৰাজকুমাৰী আগ্রহান্বিত।

বাসবদত্তা — (স্বগত) আর্যপুত্রক পতিৰূপে পাবলৈ বিচাৰিছে ! (প্রকাশ কৰি) কিহৰ বাবে ?

চেটী — (তেওঁ) দয়ালু, সেইবাবে।

বাসবদত্তা — (স্বগত) জানো ! জানো ! এইজনীকো এইদৰে উন্মত্তা কৰা হৈছিল।

চেটী — ৰাজকুমাৰী ! যদি সেই ৰজা কুৰূপ হয় ?

বাসবদত্তা — নহয় ! নহয় ! দেখাত সুন্দৰ।

পদ্মাবতী — আর্যা তুমি কিদৰে জানিলা ?

বাসবদত্তা — (স্বগত) আর্যপুত্রৰ প্রতি থকা পক্ষপাতিত্বৰ কাৰণে আচাৰ উলংঘন কৰা হ'ল। এতিয়া কি কৰো ? ঠিক আছে। (প্রকাশ কৰি) সখী, এনেদৰে উজ্জয়িনীৰ লোকসকলে কয়।

পদ্মাবতী — ঠিক আছে। নিশ্চিতভাৱে উজ্জয়িনী নিবাসীসকলৰ বাবে এইটো (উদয়নক দেখাটো) দুর্লভ নহ'ল। সেইটোৱেই সৌন্দর্য যিয়ে সকলো লোকৰ মনৰ আহলাদনকাৰী।

(ইয়াৰ পিছত ধাত্রীৰ প্রবেশ)

ধাত্রী — ৰাজকুমাৰীৰ জয় হওঁক— ৰাজকুমাৰী। তোমাক প্রদান কৰা হ'ল।

বাসবদত্তা — কালৈ ?

ধাত্রী — বৎসৰাজ উদয়নক।

বাসবদত্তা — সেই ৰজা কুশলে আছেনে ?

ধাত্রী — কুশলে আছে। তেওঁ ইয়ালৈ আহিছে আৰু তেওঁ ৰাজকুমাৰীক স্বীকাৰ কৰিছে।

বাসবদত্তা — সর্বনাশ।

ধাত্রী — ইয়াত কি অনুচিত হৈছে?

বাসবদত্তা — নহয় ! একো নহয় ! সেই ধৰণে সন্তাপ কৰি পুনৰ যেন উদাসীন হৈ নপৰে। সেয়ে (তেনেদৰে কৈছো)।

ধাত্রী — আর্যা ! মহানলোকৰ শাস্ত্রজ্ঞানপূর্ণ হৃদয়, সেয়ে ই সহজেই স্বাভাৱিক অৱস্থালৈ ঘূৰি আহে।

বাসবদত্তা — আর্যা ! তেওঁ নিজেই বৰণ কৰিছে নেকি?

ধাত্রী — নহয়, নহয়। অইন কোনো প্রয়োজনত তেওঁ ইয়ালৈ আহিছিল। সেই ৰজাৰ উচ্চ বংশ, জ্ঞান, বয়স আৰু ৰূপ দেখি স্বয়ং মহাৰাজেই প্রদান কৰিছে।

বাসবদত্তা — (স্বগত) ঠিক আছে। তেন্তে আর্যপুত্র নিৰপৰাধী।

(আন এজনী প্রবেশ কৰি)

চেটী — আর্যা ! শীঘ্রে কৰা, শীঘ্রে কৰা। আজিয়েই শুভ নক্ষত্র। আজিয়েই মাঙ্গলিক কার্য কৰিব লাগিব। এনেদৰে আমাৰ মহাৰাণীয়ে কৈছে।

বাসবদত্তা — (স্বগত) এওঁলোকে যিমানেই শীঘ্র কৰিছে যিমানেই মোৰ হৃদয় অন্ধকাৰাচ্ছন্ন হৈ পৰিছে।

ধাত্রী — আহা ! আহা ! ৰাজকুমাৰী।

(আটাইৰে প্রস্থান)



জানি থোৱা ভাল

সংস্কৃত নাটকৰ 'প্রবেশক' পাঁচ প্রকাৰৰ অর্থোপক্ষেপকৰ ভিতৰত অন্যতম। নাটকত যিবোৰ ঘটনা অংকত দেখুৱাব নোৱাৰি নাইবা যিবোৰ ঘটনা দীর্ঘকালব্যাপি ঘটে সেইবোৰ অর্থোপক্ষেপকৰ জৰিয়তে সূচনা কৰা হয়। ইয়াৰে প্রবেশক নামৰ অর্থোপক্ষেপকক দুটা অংকৰ মাজত উপনিবদ্ধ কৰা হয়। ই ভূত ভৰিষ্যত কথাৰ বর্ণনা কৰে। ইয়াৰ ভাষা প্রাকৃত আৰু ই নীচ পাত্রৰ দ্বাৰা উপস্থাপিত হয়।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ পদ্মাৱতীয়ে কি খেলি থকা বুলি দ্বিতীয় অংকত কোৱা হৈছে?

.....

.....

প্রশ্ন নং ২ঃ মহাসেন ক'ৰ ৰজা আছিল?

.....

.....

প্রশ্ন নং ৩ঃ পদ্মাৱতীয়ে কাক পতিৰূপে পাবলৈ ইচ্ছা কৰিছিল?

.....

.....

প্রশ্ন নং ৩ঃ মগধৰাজে ৰজা উদয়নৰ কি কি গুণৰ বাবে পদ্মাবতীক প্রদান কৰিছিল?

.....

.....

৩.৫ তৃতীয় অংকৰ মূল সংস্কৃত পাঠ

(ততঃ প্রৱিশতি বিচিন্তয়ন্তী বাসবদত্তা)

বাসবদত্তা— বিবাহামোদসংকুলে অন্তঃপুৰচতুঃশালে পৰিত্যজ্য পদ্মাৱতীমিহাগতাস্মি প্রমদবনম্। যাৱদিদানীং ভাগধেয়নির্বৃত্তং দুঃখং বিনোদয়ামি। (পৰিক্রম্য) অহো অত্যাহিতম্। আর্যপুত্রোহপি নাম পৰকীয়ঃ সংবৃত্তঃ। যাবদুপবিশামি। (উপবিশ্য) ধন্যা খলু চক্রবাকবধূঃ যা বিৰহিতা ন জীৱতি। ন খল্বহং প্রাণান্ পৰিত্যজামি। আর্যপুত্রং পশ্যামীত্যেতেন মনোৰথেন জীৱামি মন্দভাগা।

(ততঃ প্রৱিশতি পুষ্পাণি গৃহীত্বা চেটী।)

চেটী— ক্ক নু খলু গতা আর্যাবন্তিকা? (পৰিক্রম্যাৱলোক্য।) অম্মো! ইয়ং চিন্তাশূন্যহৃদয়া নীহাৰ প্রতিহতচন্দ্রলেখেবামণ্ডিত ভদ্রকং বেষং ধাৰয়ন্তী প্রিয়ঙ্গুশিলাপট্টকে উপবিষ্টা। যাৱদুপসর্পামি। (উপসৃত্য।) আর্যে আবন্তিকে! কঃ কালঃ ত্বামন্বিষ্যামি?

বাসবদত্তা— কিংনিমিত্তম্?

চেটী— অস্মাকং ভট্টিনী ভণতি মহাকুলপ্রসূতা স্নিগ্ধা নিপুণেতি ইয়াং তাৱৎ কৌতুকমালিকাং গুম্ফত্বার্যা।

বাসবদত্তা— অথ কস্মৈ কিল গুম্ফিতব্যম্?

চেটী— অস্মাকং ভর্তৃদাৰিকায়ৈ.

বাসবদত্তা— (আত্মগতম্।) এতদপি ময়া কর্তব্যমাসীৎ। অহো! অকৰুণাঃ খল্বী শ্বৰাঃ।

চেটী — আর্য্যে! মেদানীমন্যচ্চিন্তয়িত্বা। এষ জামাতা মণিভূম্যাং স্নায়তি। শীঘ্রং তাৱৎ গুম্ফত্বার্যা।

বাসবদত্তা— (আত্মগতম্।) ন শক্নোম্যন্যচ্চিন্তয়িতুম্। (প্রকাশম্।) হলা! কিং দৃষ্টো জামাতা?

চেটী— আম্। দৃষ্টো ভর্তৃদাৰিকায়াঃ স্নেহেনাস্মাকং কৌতুহলেন চ।

বাসবদত্তা— কীদৃশো জামাতা?

চেটী— আর্যে! ভনামি তাৱদ্। নেদৃশো দৃষ্টপূর্বঃ।

বাসবদত্তা— হলা! ভণ ভণ কিং দর্শনীয়ঃ?

চেটী— শক্যং ভণিতুং শৰচাপহীনঃ কামদেৰ ইতি।

বাসবদত্তা— ভৱত্বেতাবৎ।

চেটী— কিং নিমিত্তং বাৰয়সি?

বাসবদত্তা— অযুক্তং পৰপুৰুষসংকীর্তনং শ্রোতুম্।

চেটী— তেন হি গুম্ফত্বার্য শীঘ্রম্।

বাসবদত্তা— ইয়ং গুম্ফানি। আনয় তাবৎ।

চেটী— গৃহ্ণাত্বার্যা।

বাসবদত্তা— (বর্জয়িত্বা বিলোক্য।) ইদং তাবদৌষধং কিং নাম

চেটী— অবিধবাকৰণং নাম।

বাসবদত্তা— (আত্মগতম্।) ইদং তাবদৌষধং কিং নাম?

চেটী— সপত্নীমর্দনং নাম।

বাসবদত্তা— ইদং ন গুম্ফিতব্যম্।

চেটী— কস্মাৎ?

বাসবদত্তা— উপৰতা তস্য ভার্যা তন্নিষ্প্রয়োজনমিতি।

(প্রবিশ্য অপৰা)

চেটী— ত্বৰতাং ত্বৰতামার্যা। এষ জামাতা অবিধবাভিৰভ্যন্তৰচতুঃশালং প্রৱেশ্যতে।

বাসবদত্তা— অয়ি ! বদামি গৃহাণৈতৎ।

চেটী— শোভনম্। আর্যে ! গচ্ছামি তাবদহম্।

(উভে নিষ্ক্রান্তে)

বাসবদত্তা— গতৈষা। অহো ! অত্যাহিতম্। আর্যপুত্রোহপি নাম পৰকীয়ঃ সংবৃত্তঃ। অহমপি শয্যায়াং মম দুঃখং বিনোদয়ামি যদি নিদ্রাং লভে।

৩.৬ উক্ত সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

(ইয়াৰ পিছত চিন্তিতা বাসবদত্তাৰ প্রবেশ)



চতুঃশালা- চাৰিও পিনে গৃহৰে আবৃত স্থান।

বাসবদত্তা — বিবাহৰ আনন্দৰে পৰিপূর্ণ অন্তেষপুৰৰ **চতুঃশালা** ত্যাগ কৰি অন্তেষপুৰৰ উদ্যানলৈ আহিছো। ইয়াতে ভাগ্যৰ দ্বাৰা নিষ্পন্ন দুখ কিছু পাতল কৰি লওঁ। (ঘূৰি লৈ) আঃ বৰ বেয়া হ'ল। আর্যপুত্রও এতিয়া পৰ হৈ গ'ল। বহিয়েই লওঁ। (বহি লৈ) মাইকী চক্রবাক পক্ষীজনী ধন্যা। যিয়ে বিচ্ছেদিতা হৈ জীয়াই নাথাকে। কিন্তু মই প্রাণ ত্যাগ নকৰো। আর্যপুত্রক দর্শন কৰিম— এই মনোভিলাষেৰে অভাগিনী জীয়াই আছো।

(ইয়াৰ পাছত ফুল লৈ চেটীৰ প্রৱেশ)



অৱন্তিৰাজ পুত্রী — অৱন্তী ৰাজ্যৰ ৰজাৰ কন্যা অর্থাৎ বাসবদত্তা।

চেটী — আর্যা আৱন্তিকা ক'লৈ গ'ল? (ঘূৰি লৈ, দেখি) অঃ, চিন্তাশূন্য হৃদয়েৰে, কুঁৱলীৰে আচ্ছাদিত চন্দ্রকলাৰ দৰে, আভূষণৰহিত ভদ্র বেশ ধাৰণ কৰি প্রিয়ংগু লতাৰ তলত শিলাসনত বহি আছে। ওচৰলৈ যাওঁ। (গৈ) আর্যা **আবন্তিকা**। কিমান সময় ধৰি আপোনাক বিচাৰি আছো।

বাসবদত্তা — কিয়?

চেটী — আমাৰ ৰাণীয়ে কৈছে— আপুনি মহাকুলপ্রসূতা, স্নেহময়ী আৰু নিপুণা— সেয়ে বিবাহৰ মালা আপুনি গাঁথি দিয়ক।

চেটী — আমাৰ ৰাজকুমাৰীৰ বাবে।

বাসবদত্তা — (স্বগত) এয়াও ময়েই কৰিব লগা আছিল। নিশ্চিতভাৱে দেৱতা অতি নির্দয়।

চেটী — আর্যা— এতিয়া আন একো চিন্তা নকৰিব। জামাতাই **মণিভূমিত** স্নান কৰিছে। সেয়ে আর্যাই কোনকালে গাঁথক।

বাসবদত্তা — (স্বগত) মই আন একো চিন্তা কৰিব পৰা নাই। (প্রকাশ কৰি) সখি ! জামাতা দেখিলানে?

চেটী — হয়। ৰাজকুমাৰীৰ প্রতি থকা স্নেহ আৰু নিজৰ কৌতুহলৰ বাবে দেখিলো।

বাসবদত্তা — জামাতা কেনেকুৱা?

চেটী — আর্যা ! ইমানেই কওঁ যে এনেকুৱা আগতে দেখা নাই।

বাসবদত্তা — সখী ! কোৱাচোন কোৱা, ধুনীয়া হয়নে?

চেটী — ধনু আৰু বাণবিহীন কামদেৱ — এই বুলি ক'ব পাৰি।

বাসবদত্তা — ঠিক আছে হ'ব।

চেটী — কি কাৰণে বাৰণ কৰিছা?

বাসবদত্তা — পৰপুৰুষৰ প্রশংসা শুনাটো উচিত নহয়।

চেটী — তেনেহ'লে আর্যাই সোনকালে গাঁথা।

বাসবদত্তা — এয়া গাঁথি দিওঁ। আনি দিয়াচোন।

চেটী — লোৱা।

বাসবদত্তা — (আঁতৰাই থৈ, লক্ষ্য কৰি) এই ঔষধিবিধৰ নাম কি?

চেটী — অবিধবাকৰণ।

বাসবদত্তা — (স্বগত) মোৰ বাবে আৰু পদ্মাৱতীৰ বাবে এয়া বহু গাঁথিব লাগিব। (প্রকাশ কৰি) আৰু এইবিধ ঔষধি কি?

চেটী — সপত্নী মর্দন।

বাসবদত্তা — এইবিধ গাঁথিব নালাগে।

চেটী — কিয়?

বাসবদত্তা — তেওঁৰ পত্নীৰ মৃত্যু হৈছে। সেয়ে ইয়াৰ প্রয়োজন নাই।

(আন এগৰাকীৰ প্রবেশ)

চেটী — আর্যা ! শীঘ্রে কৰা, শীঘ্রে কৰা। জামাতাক সধবা নাৰীসকলে ভিতৰৰ চতুঃশালালৈ লৈ গৈ আছে।

বাসবদত্তা — হেৰা, কৈছো এয়া লোৱা।

চেটী — সুন্দৰ ! আর্যা তেন্তে মই যাওঁ।

(দুয়ো ওলাই যায়)

বাসবদত্তা — এওঁ গ'লগৈ। আঃ। বৰ বেয়া হ'ল। **আর্যপুত্র** এতিয়া পৰৰ হৈ গ'ল। ময়ো শয্যাত নিজৰ দুখ লাঘৱ কৰোগৈ— যদিহে টোপনি আহে।

(প্রস্থান কৰে)

মণিভূমি- চাৰিকোণীয়া স্নানাগাৰ যিটো চাৰিওপিনে চাৰিটা স্তম্ভযুক্ত আৰু যাৰ ভূমিভাগ মণিৰে অলংকৃত।

চেটী — সেবিকা।

আর্যপুত্র — কোনো স্ত্রীয়ে স্বামীৰ প্রতি কৰা সম্বোধন।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৫ঃ বাসবদত্তাক তেওঁৰ কি গুণৰ বাবে বিবাহৰ মালা গঁথাৰ বাবে দায়িত্ব অর্পণ কৰা হৈছিল?

.....

.....

প্রশ্ন নং ৬ঃ চেটীয়ে ৰজা উদয়ন দেখিবলৈ কেনেকুৱা বুলি বর্ণনা কৰিছিল?

.....

.....

প্রশ্ন নং ৭ঃ বাসবদত্তাই সপত্নীমর্দন নামৰ ঔষধিবিধ কিয় গাঁথিবলৈ ইচ্ছা কৰা নাছিল?

.....

.....

৩.৭ নাটকখনত দ্বিতীয় অংকৰ গুৰুত্ব

দ্বিতীয় অংকৰ দৃশ্যৰাজিত প্রথম অংকৰ দৃশ্যৰাজিৰ ঘটনাক কিছু আগবঢ়াই লৈ যোৱা হৈছে। পদ্মাবতীৰ উদয়নৰ প্রতি আকর্ষণ গভীৰতৰ ৰূপত ইয়াত প্রদর্শন কৰা হৈছে। ইয়াৰ পৰিপ্রেক্ষিতত বাসবদত্তাক অধিক দুখগ্রস্তা কৰি তোলা হৈছে। তেওঁৰ স্বামীয়ে আন এগৰাকী স্ত্রীক বিবাহ কৰিবলৈ ওলোৱা বার্তাটোৱে তেওঁক যথেষ্ট মনোকষ্ট প্রদান কৰিছিল। কেৱল এটা কথাতেই তেওঁ আশ্বস্ত হৈছিল যে উদয়নে নিজে পদ্মাৱতীক বিবাহ কৰাবলৈ আগবাঢ়ি অহা নাছিল। মানৱ মনৰ আবেগক বাসবদত্তা চৰিত্রটিৰ জৰিয়তে এই অংকত নাট্যকাৰে অতি প্রকটৰূপত উপস্থাপন কৰিছে। ইয়েই এই অংকৰ মূল আকর্ষণ। বাসবদত্তাৰ অন্তৰৰ বেদনা তেওঁৰ এটি উক্তিৰ জৰিয়তে সহৃদয় দর্শকে উপলব্ধি কৰিব পাৰে য'ত তেওঁ কৈছে— 'যিমানেই খৰধৰ কৰা হৈছে সিমানেই মোৰ অন্তৰখন অন্ধকাৰে আবৰি ধৰিছে।' এনেদৰে দ্বিতীয় অংকৰ দৃশ্যৰাজিয়ে নাটকখনত বিশেষ গুৰুত্ব বহন কৰিছে।

৩.৮ নাটকখনত তৃতীয় অংকৰ গুৰুত্ব

'স্বপ্নবাসবদত্তম্' নাটকৰ তৃতীয় অংকত নায়িকা বাসবদত্তাক স্বামীৰ দ্বিতীয় বিবাহৰ বাবে যথেষ্ট হতাশগ্রস্তা হৈ থকা পৰিলক্ষিত হয়। তেওঁ ব্যক্ত কৰিছিল যে স্বামী উদয়নক পুনৰবাৰ দেখিবলৈ পোৱাৰ মনোভিলাষ লৈহে তেওঁ জীয়াই আছে।

এই অংকত বাসবদত্তাক তেওঁৰ স্বামীৰ দ্বিতীয় বিবাহৰ বাবে মালা গঁথাৰ দায়িত্ব দিয়া হৈছে। এই দায়িত্ব পালন কৰাটো বাসবদত্তাৰ বাবে অতি কঠিন আছিল। কিন্তু পদ্মাৱতীৰ প্রতি থকা তেওঁৰ প্রকৃত স্নেহৰ বাবে সুচাৰুৰূপে তেওঁ সেই দায়িত্ব পালন কৰিবলৈ লৈছিল আৰু এই

ক্ষেত্ৰত তেওঁ নিজৰ ভাগ্যকেই দোষাৰোপ কৰিছিল। এগৰাকী পত্নীয়ে স্বামীৰ দ্বিতীয় বিবাগৰ বাবে মালা গঁথা দায়িত্ব লৈ অন্তৰত কেনেধৰণৰ মনোকষ্ট অনুভব কৰে সেয়া বাসবদত্তা চৰিত্ৰটিৰ জৰিয়তে অতি সুন্দৰ ৰূপত এই অংকত নাট্যকাৰ ভাসে পৰিস্ফুট কৰিছে। গতিকে দ্বিতীয় অংকত স্বামীৰ দ্বিতীয় বিবাহক উপলক্ষ্য কৰি প্ৰকাশিত হোৱা বাসবদত্তাৰ অন্তৰৰ বেদনা তৃতীয় অংকত দৃঢ়তৰ হৈ পৰাটো পৰিলক্ষিত হয়।



৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

প্ৰথমে স্বপ্নবাসবদত্তম্ নাটকখনৰ দ্বিতীয় আৰু তৃতীয় অংক দুটাৰ সংস্কৃত পাঠৰ পৰিচয় লাভ কৰিলে। ইয়াৰ পিছত সেই সংস্কৃত মূল পাঠৰ অসমীয়া অৰ্থসমূহো জানিবলৈ সক্ষম হ'ল। শেষত অংক দুটাই নাটকখনত যে বিশেষ গুৰুত্ব বহন কৰিছে সেই সম্পৰ্কেও অৱগত হ'ব পাৰিলে।



৩.১০ অধিক জানিবলৈ

১) আয়াৰ, এ. এছ. পি. (১৯৫৭), *ভাস*, মাদ্ৰাজ ঃ ভি. ৰামস্বামী সন্তুলু এণ্ড ছন্স।

২) কালে, এম. আৰ. (১৯৮৮), *স্বপ্নবাসবদত্তম্ অৱ ভাস*, দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিচাৰছ প্ৰাইভেট লিমিটেড।

৩) পুচলকাৰ, এ. ডি. (১৯৬৮), *ভাস-এ ষ্টাডী*, দিল্লী ঃ মুন্সিৰাম মনোহৰলাল অৰিয়েণ্টল পাব্লিচাৰছ এণ্ড বুকচেলাৰছ।

৪) শৰ্মা, থানেশ্বৰ (১৯৯৫), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



৩.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ কন্দুক।

২ নং প্ৰশ্নৰ উত্তৰঃ উজ্জয়িনীৰ।

৩ নং প্ৰশ্নৰ উত্তৰঃ উদয়নক।

৪ নং প্ৰশ্নৰ উত্তৰঃ উচ্চ বংশ, জ্ঞান, বয়স আৰু ৰূপ দেখি।

৫ নং প্ৰশ্নৰ উত্তৰঃ তেওঁ আছিল মহাকুলপ্ৰসূতা, স্নেহময়ী আৰু নিপুণা, সেইবাবে।

৬ নং প্ৰশ্নৰ উত্তৰঃ ধনু আৰু বাণ বিহীন কামদেব বুলি।

৭ নং প্ৰশ্নৰ উত্তৰঃ কাৰণ যিহেতু উদয়নৰ প্ৰথমা পত্নীৰ মৃত্যু হৈছে সেইবাবে।



৩.১২ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ নাটকখনৰ দ্বিতীয় অংকৰ গুৰুত্ব সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ নাটকখনৰ তৃতীয় অংকৰ গুৰুত্ব সম্পৰ্কে চমুকৈ আলোচনা আগবঢ়াওঁক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ স্বপ্নবাসবদত্তম্ নাটকখনৰ দ্বিতীয় অংকৰ কথাখিনি নিজৰ ভাষাত বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ স্বপ্নবাসবদত্তম্ নাটকৰ তৃতীয় অংকৰ কথাখিনি থূলমূলকৈ উপস্থাপন কৰক।

*** ***** ***